অধ্যায় ২ ঃ অসমৰ ধৰ্মীয় পৰম্পৰা — বৈষ্ণৱ ধৰ্ম

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য

2.2 পৰিচয়

2.3 বৈষ্ণৱ ধৰ্মৰ বিকাশ — সাধাৰণ আলোচনা

2.4 অসমৰ বৈষ্ণৱ ধৰ্মৰ ইতিহাস

- 2.4.1 শিলালিপি-তাম্ৰলিপিৰ যুগ
- 2.4.2 *কালিকা পুৰাণ* (তন্ত্ৰৰ যুগ)
- 2.4.3 প্ৰাক্-শংকৰী যুগ
- 2.4.4 শংকৰী যুগ

2.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

2.6 অধিক জানিবলৈ

2.7 অগ্ৰগতিৰ খতিয়ান

2.8 আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতৰ সমাজ-সংস্কৃতি-ঐতিহ্যৰ অংশ স্বৰূপে বৈষ্ণৱ ধৰ্ম সম্পৰ্কে অধ্যয়ন কৰিব
- অসমৰ বৈষ্ণৱ ধৰ্মৰ পৰম্পৰাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- সাংস্কৃতিক দৃষ্টিকোণেৰে বৈষ্ণৱ ধৰ্মৰ পৰিচয় লাভ কৰিব
- বৈষ্ণৱ ধৰ্মৰ বিকাশৰ লগত ভাৰতৰ আৰ্থ-সামাজিক বিকাশৰ ইতিহাস আৰু ৰাজনৈতিক প্ৰশাসনিক আৰু সামাজিক শৃংখলাৰ ইতিহাস জড়িত হৈ আছে। এই বিষয়বোৰৰ বিষয়ে সম্যক ধাৰণা ধাৰণা লভিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমৰ ধৰ্মীয় পৰম্পৰা সম্পৰ্কে চমুকৈ অধ্যয়ন কৰি শাক্ত আৰু শৈৱ ধৰ্ম সম্পৰ্কে বহলাই অধ্যয়ন কৰিলে। এই অধ্যায়টোত আপুনি বৈষ্ণৱ ধৰ্মীয় পৰম্পৰা সম্পৰ্কে অধ্যয়ন কৰিব। আপুনি নিশ্চয় জানে যে, বৈষ্ণৱ ধৰ্ম হিন্দুধৰ্মৰ এটা ঠাল। আনহাতে হিন্দুধৰ্ম খ্ৰীষ্টান ধৰ্ম বা ইছলাম ধৰ্মৰ দৰে এটা প্ৰণালীবদ্ধ আৰু সুনিৰ্দিষ্ট ধৰ্ম নহয়। হিন্দু ধৰ্ম আচলতে এটা সাংস্কৃতিক পৰম্পৰা বা সমাজ পদ্ধতি। ভাৰতবৰ্ষৰ ইতিহাস অধ্যয়ন হিন্দু ধৰ্মৰ

'ভাগৱত' — ৰূপে দুটা সম্প্ৰদায় সৃষ্টি হ'ল। ভাগৱত ধৰ্মৰ ব্ৰাহ্মণ্য ধ্যান-ধাৰণাৰ প্ৰকাশ ঘটাৰ বিপৰীতে পাঞ্চৰাত্ৰ প্ৰাচীন অনুষ্ঠান আৰু ৰীতি-নীতিৰে প্ৰভূত্ব অক্ষুন্ন ৰ'ল। অবৈদিক নাৰায়ণৰ লগত বৈদিক বিষ্ণুৰ একীকৰণৰ মাজেদি ব্ৰাহ্মণ্যবাদে ভাগৱত ধৰ্মক বৈষ্ণৱ ধৰ্মলৈ সাৰ্থকভাৱে ৰূপান্তৰিত কৰিলে।

মেগাস্থিনিস আৰু কৌটিল্যৰ লেখাৰ পৰা জনা যায় যে খ্ৰীঃ পূঃ 4র্থ শতিকাত সংকৰ্ষণ আৰু বাসুদেৱ জনগোষ্ঠীয় সমাজৰ জনপ্ৰিয় দেৱতা আছিল। এই জনগোষ্ঠী সমাজবোৰ আছিল ***মাতৃপ্ৰধান***। সময়ৰ লগে লগে মাতৃপ্ৰধানৰ পৰা পিতৃপ্ৰধান ৰূপে গোষ্ঠীসমাজৰ পৰিৱৰ্তন হোৱাৰ সমান্তৰালভাৱে এই দুই দেৱতা নাৰায়ণৰ আংশিক প্ৰকাশ ৰূপে গণ্য কৰা হ'ল। কিন্তু পিছলৈ বাসুদেৱ নাৰায়ণৰ মনুষ্য অৱতাৰ ৰূপে পৰিগণিত হ'ল। সৎকৰ্ষণ আকৌ বাসুদেৱৰ অধীনস্থ মিত্ৰ দেৱতালৈ পৰিণত হ'ল। সামাজিক ভাৱসাম্য ৰক্ষা আৰু ব্ৰাহ্মণ্য জীৱনযাত্ৰা পদ্ধতি পুনৰ প্ৰতিষ্ঠাৰ স্বাৰ্থত এই দুই দেৱতা নাৰায়ণৰ লগত একাত্ম কৰা হ'ল; যাতে তাৰ পূজাৰ মাজেদি ব্ৰাহ্মণ্য নিৰ্দেশবোৰ জনসাধাৰণৰ ওচৰ চাপিব পাৰে। তাৰ বাবেই খ্ৰীষ্টীয় শতিকাৰ আৰম্ভণিৰে পৰা মহাকাব্য, পুৰাণ আদি ৰচনা কৰা হ'ল।

বাসুদেৱ বৃষ্ণিবংশত জন্ম লৈছিল — এই প্ৰসিদ্ধিৰ ফলত তথা নাৰায়ণৰ লগত তাৰ একীকৰণৰ ফলত ***অৱতাৰবাদ***ৰ উদ্ভৱ হয়। ইয়াক বৌদ্ধধৰ্মৰ বোধিসত্ত্ব মতবাদে বেছি শক্তিশালী কৰিলে। বৈষ্ণৱ ধৰ্মৰ অৱতাৰবাদৰ মাজেদি একদেৱতাভিত্তিক বহুদেৱত্ববাদক স্থাপিত কৰি আঞ্চলিক বিভেদ দূৰ কৰি ঐক্যবদ্ধ কৰাৰ প্ৰক্ৰিয়াত এক প্ৰবল শক্তিৰূপে কাম কৰিছিল। সেইবাবে বৈষ্ণৱ ধৰ্মই ৰাজপৃষ্ঠপোষকতাও লাভ কৰিছিল।

গুপ্তযুগ বিষ্ণুপূজা বা বৈষ্ণৱ ধৰ্মৰ বিস্তাৰৰ সোণালী যুগ। এই যুগতে বণিক, কৃষিজীৱী, ব্যৱসায়ী বৈশ্য-শূদ্ৰ সমাজত জনপ্ৰিয় 'শ্ৰী' দেৱীও বিষ্ণুৰ লগত সংযোগ কৰা হয়। ইতিমধ্যেই *ভাগৱত পুৰাণ* ৰচিত হৈছিল। *ভাগৱতে* কৃষ্ণ-বিষ্ণুৰ অভিন্নতাক জনপ্ৰিয় কৰিলে। অৱশ্যে *গীতাতে* কৃষ্ণ-বিষ্ণুৰ একাত্মসাধন হৈছিল। *গীতাৰ* ৰচনা আনুমানিক খ্ৰীষ্টীয় দ্বিতীয় শতিকা।

'কৃষ্ণ' চৰিত্ৰৰ উল্লেখ বৈদিক সাহিত্যত সীমিত। পুৰাণ সাহিত্যহে কৃষ্ণ চৰিত্ৰ প্ৰচাৰৰ আধাৰ। 'কৃষ্ণ' নামটোত অবৈদিক উপাদান প্ৰচুৰ। *হৰিবংশ, মহাভাৰত* আদিত কৃষ্ণৰ লগত ইন্দ্ৰৰ বিৰোধ মূলতঃ বৈদিক আৰু অবৈদিক ধাৰাৰ বিৰোধৰ প্ৰমাণ। *মহাভাৰততে* বিষ্ণুৰ উপাসকসকল ভাগৱত, পাঞ্চৰাত্ৰ, একান্তিক, সাত্বত আৰু বৈষ্ণৱ বোলা হৈছে। ইয়াৰে সাত্বত এটা বৃষ্ণি গোষ্ঠীৰ নাম। এই গোষ্ঠীতে কৃষ্ণৰ জন্ম আৰু কৃষ্ণ উপাসনাৰ ধাৰাও এওঁলোকৰ পৰাই সূচনা হয়। আনহাতে পশুপালক পৰিৱেশেৰে কৃষ্ণৰ শৈশৱৰ বৰ্ণনা প্ৰধানত আভীৰ গোষ্ঠীৰ কোনো যৌৱনোচ্ছল দেৱতাৰ লগত একীকৰণৰ ফল। মুঠৰ ওপৰত কৃষ্ণগাথাবোৰ বহুবিচিত্ৰ ধৰণৰ উপাদানৰ এক সন্নিৱেশ।

গীতাত (10û27) ৰজাক মানুহৰ মাজত দেৱতাৰ প্ৰকাশ বুলি গণ্য কৰাৰ কথা কোৱা হৈছে। কুশান বংশৰ ৰজাৰ মুদ্ৰাত মূৰৰ চাৰিওফালে জ্যোৰ্তিবলয় দেবত্বাভিমানৰে পৰিচয়। গুপ্তৰজাসকলেও নিজকে দৈৱিক ৰূপতে (ফলিû মুদ্ৰা আদিত) দাঙি ধৰিছে। অৰ্থাৎ বৈষ্ণৱ ধৰ্মক



মাতৃপ্ৰধান ঃ যি সমাজ ব্যৱস্থাত সম্পত্তিৰ অধিকাৰ মাকৰফালৰ পৰা জীয়েকে লাভ কৰে, সন্তান মাকৰ গোত্ৰত অন্তৰ্ভুক্ত হয় আৰু বিয়াৰ পিছত দৰা কইনাৰ ঘৰলৈ যায় সাধাৰণভাৱে সেই সমাজ ব্যৱস্থাকে মাতৃপ্ৰধান সমাজ ব্যৱস্থা বোলে।

অৱতাৰবাদঃভক্তিবাদৰ এটা আধাৰতত্ত্ব হৈছে অৱতাৰবাদ। নিৰাকাৰ ঈশ্বৰে লোকানুগ্ৰহ আৰু বিশেষ কাৰ্যবশতঃ সাকাৰ ৰূপ পৰিগ্ৰহ কৰাকে অৱতাৰবাদ বুলি কোৱা হয়।

২.৪ অসমৰ বৈষ্ণৱ ধৰ্মৰ ইতিহাস

ভাৰতবৰ্ষৰ সামগ্ৰিক ইতিহাসৰ লগত অসমৰ ইতিহাস সম্পূৰ্ণ ৰূপে মিলাব নোৱাৰি। কাৰণ, উত্তৰ আৰু কেন্দ্ৰীয় ভাৰতত আনকি দক্ষিণ ভাৰততো ব্ৰাহ্মণ্য হিন্দুধৰ্মৰ সবল প্ৰতিষ্ঠা হোৱাৰ সময়ত অসমৰ লগত ভাৰতৰ সাংস্কৃতিক সম্বন্ধ গভীৰ হ'ব পৰা নাছিল। খ্ৰীঃ পূঃ 2য়-3য় শতিকাত অশোকৰ হাতত বৌদ্ধ ধৰ্মৰ বহুল প্ৰচাৰ হওতেও অসমত তাৰ প্ৰভাৱ পৰা নাছিল। একেদৰে মৌৰ্য যুগত বংগ পৰ্যন্ত অঞ্চল মৌৰ্য সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হৈছিল যদিও অসম তাৰ বাহিৰতে ৰৈ গৈছিল।

অসমত আৰ্য সংস্কৃতিৰ বিস্তাৰ তুলনামূলকভাৱে লেহেমীয়া। মংগোলীয় মূলৰ জনবসতিৰ আধিক্য, প্ৰাকৃতিক দুৰ্গমতা আৰু মংগোলীয়মূলৰ ৰজাৰ হাততে ৰাজনৈতিক ক্ষমতা কেন্দ্ৰীভূত হৈ থকাৰ বাবে আৰ্য সংস্কৃতিৰ প্ৰসাৰ খৰটকীয়া হ'ব পৰা নাছিল। তৎস্বত্ত্বেও অতি প্ৰাচীন কালৰে পৰা ৰাজনৈতিক পৃষ্ঠপোষকতাতে হওক বা সাধাৰণ প্ৰব্ৰজনৰ মাজেদিয়েই হওক ব্ৰাহ্মণ-পুৰোহিতসকলৰ দ্বাৰা আৰ্যীকৰণ প্ৰক্ৰিয়া এটা চলি আহিছিল। এই প্ৰক্ৰিয়াৰ ফলতে আৰ্যমূলীয় দেৱতা আৰু আৰ্য হিন্দু পদ্ধতি অসমত প্ৰৱাহিত হ'বলৈ পাইছিল।

বৈষ্ণৱ ধৰ্মৰ মূল উপাস্য দেৱতা গৰাকী হ'ল — বিষ্ণু। বিষ্ণুক উপাসনা কৰা বাবেই এই ধৰ্মটোৰ নাম বৈষ্ণৱ (বিষ্ণু > বৈষ্ণৱ)। বহুতৰে ধাৰণা যে অসমত আগেয়ে শাক্ত আৰু শৈৱ ধৰ্মৰহে প্ৰচলন আছিল, বৈষ্ণৱ ধৰ্ম নাছিল। শঙ্কৰদেৱেহে অসমত প্ৰথমে বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰে বুলি বহুতৰে ধাৰণা; কিন্তু এই ধাৰণা সঠিক নহয়। শঙ্কৰদেৱৰ কেইবাশ বছৰৰ আগৰেপৰাই যে অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচলন আছিল তাৰ বিভিন্ন প্ৰমাণ পোৱা যায়। নগাঁওৰ ৰৰগঙ্গা শিলালিপিত (553–554) কামৰূপৰ ৰাজ ভূতিবৰ্মাই নিজকে বিষ্ণুৰ পৰম ভক্ত বুলি পৰিচয় দিছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে ষষ্ঠ শতিকাতেই অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচলন আছিল। বাণভট্টৰ *হৰ্ষচৰিতত* কামৰূপৰ ৰজা ভাস্কৰ বৰ্মাক বিষ্ণুৰ বংশধৰ বোলা হৈছে। দ্বাদশ শতিকাৰ কামৰূপৰ ৰজা ধৰ্মপালৰ পুষ্পভদ্ৰা লিপিত বিষ্ণুলৈ ভক্তি প্ৰদৰ্শন কৰা হৈছে। এইবোৰৰ উপৰি বিষ্ণুৰ অস্তিত্ব থকা বিভিন্ন মূৰ্তিবোৰেও বৈষ্ণৱ ধৰ্মৰ প্ৰচীনত্বৰ ইংগিত দিয়ে। যেনে — শুক্ৰেশ্বৰত থকা অষ্টম-নৱম শতিকাৰ নাৰায়ণ মূৰ্তি, অশ্বক্ৰান্তত প্ৰাপ্ত দ্বাদশ শতিকাৰ অনন্তশায়ী বিষ্ণুমূৰ্তি, দেওপানীত পোৱা বিষ্ণু মূৰ্তি আদিৰ উপৰি গোসাইজুৰি, নগাঁও, মহাদেউশাল আদিত বিভিন্ন ভঙ্গীৰ বিষ্ণুমূৰ্তি পোৱা গৈছে। এইবোৰ তথ্যৰ পৰা অনুমান কৰা কঠিন নহয় যে, ষষ্ঠ শতিকামানৰপৰাই অসমত বিষ্ণু পূজা বা বৈষ্ণৱ ধৰ্মত অস্তিত্ব আছিল। এনেদৰে প্ৰচীনকালৰেপৰা অসমত বৈষ্ণৱ ধৰ্ম প্ৰচলিত হৈ আহিছিল যদিও শাক্ত আৰু শৈৱ ধৰ্মত সমানেই প্ৰচলিত হৈ থকাত এই ধৰ্মই ব্যাপকতা লাভ কৰিবপৰা নাছিল। ষষ্ঠ শতিকাত দক্ষিণাত্যত সূত্ৰপাত হোৱা ভক্তি আন্দোলন ক্ৰমশঃ ভাৰতবৰ্ষৰ চুকে-কোণে প্ৰভাৱ বিস্তাৰ কৰি পঞ্চদশ শতিকাত অসমত প্ৰৱেশ কৰিলে। শঙ্কৰদেৱে ভাৰতীয় ভক্তি আন্দোলনৰ পৰিপ্ৰেক্ষিতত পূৰ্ব প্ৰচলিত বৈষ্ণৱ ধৰ্মক এক নতুন ৰূপত সজাই-পৰাই তুলিলে। ফলত পূৰ্বৰ বৈষ্ণৱ নীতি থকা তন্ত্ৰ-মন্ত্ৰ, বলি-বিধান, যাগ-যজ্ঞ, পূজা-পাতল আদিৰ ঠাই একশৰণ

কিন্তু সামগ্রিকভাৱে প্রাচীন কামৰূপৰ ধৰ্মৰ ধাৰাত শাক্ত আৰু শৈৱ ধাৰাহে প্রৱল আছিল। বিষ্ণু পূজা প্রচলিত আছিল যদিও ই তান্ত্রিক ধাৰাহে আছিল।

২.৪.২ *কালিকা পুৰাণ*(তন্ত্রৰ যুগ)

প্রাচীন কামৰূপৰ ধৰ্ম সংস্কৃতিৰ বিষয়ে জানিবলৈ সততে সহায়ক হোৱা *কালিকা পুৰাণ*ৰ আৰম্ভণি আৰু সমাপ্তিৰ বিষ্ণু বন্দনাৰ উপৰি বিভিন্ন অধ্যায়ত পর্যাপ্ত বিষ্ণু বন্দনা পোৱা যায়। দ্বাবিংশ অধ্যায়ত বিষ্ণুক ধৰ্ম-অর্থ-কাম-মোক্ষ আদিৰ কাৰণ, শংখ-চক্র-গদা-পদ্মধাৰী কমললোচন বোলা হৈছে। কিন্তু এই সময়ৰ বিষ্ণুপূজা তীর্থ, ব্রত, শ্রাদ্ধ, তন্ত্র আদিৰে শক্তি আৰু অন্যান্য দেৱতাৰ লগতহে কৰা হৈছিল। সেয়েহে মহেশ্বৰ নেওগ-এ কামৰূপৰ বিষ্ণুপূজাৰ আদি স্তৰটোক 'Tantric Vaisnavism' বুলি কৈছে। ষোড়শ শতিকামানত ৰচিত বুলি অনুমান কৰা *যোগিনীতন্ত্রত* বিষ্ণুৰ এটা ৰূপ হয়গ্রীৱ বিষ্ণুৰ পূজাৰ তান্ত্রিক পদ্ধতিৰ বর্ণনা আছে— "গৰুৰ গাখীৰ, হৰিণ, ছাগ, শালন (?) শহাৰ মাংস হয়গ্রীৱ বিষ্ণুৰ বিশেষ প্রিয়।"

কালিকা পুৰাণ আৰু *যোগিনীতন্ত্রত* বর্ণিত বিষ্ণু প্রসঙ্গ জনসাধাৰণৰ মাজত প্রচলিত পৰম্পৰাগত লোকায়ত ধৰ্মৰ ওপৰত নতুনকৈ পৰিচিত ভাগৱত ধৰ্মৰ প্রভাৱত সৃষ্টি হোৱা তান্ত্রিক ভাগৱত ধৰ্মৰে বর্ণনা বুলিব পাৰি। একেদৰে গুপ্ত ৰজাসকলৰ প্রভাৱত কামৰূপতো ভূমিদান ব্যৱস্থাৰ জৰিয়তে বিস্তাৰিত হোৱা ব্রাহ্মণ্যবাদৰ ভিতৰুৱা হিচাপেই কামৰূপত বিষ্ণুৰ অৱতাৰবোৰ পৰিচিত হৈছিল। দেওপানীৰ বিষ্ণু মূর্তি, শুক্রেশ্বৰৰ বিষ্ণু জনার্দন মূর্তি, দ্বাদশ শতিকাৰ অশ্বক্লান্ত মন্দিৰৰ অনন্তশায়ী বিষ্ণু মূর্তি আদি পুৰাতাত্ত্বিক সমলবোৰে ব্রাহ্মণ্যবাদী বিষ্ণু পূজা বা তান্ত্রিক বৈষ্ণৱবাদৰে সাক্ষ্য দিয়ে।

২.৪.৩ প্রাক-শংকৰী যুগ

চতুদর্শ শতিকাৰ প্রাক্-শংকৰী যুগলৈ কামৰূপৰ বিষ্ণু পূজাৰ ধাৰাটোৱে ক্রমশঃ প্রাধান্য পাবলৈ ধৰিছিল। মাধৱ কন্দলিৰ *ৰামায়ণত* ৰামৰ মাজেদি বিষ্ণুৰ আভাস ফুটি উঠাৰ প্রসঙ্গ উল্লেখযোগ্য। তদুপৰি হেম সৰস্বতী, হৰিবৰ বিপ্র, ৰুদ্র কন্দলি, কবিৰত্ন সৰস্বতীৰ সাহিত্যত প্রচাৰগন্ধী বৈষ্ণৱ আদর্শৰ চানেকি নাপালেও বৈষ্ণৱ ধ্যান-ধাৰণাৰ লগত চিনাকি থকাৰ প্রমাণ পোৱা যায়। *ভাগৱতৰ* অনুবাদত অনন্ত কন্দলিয়ে দিয়া আত্মপৰিচয়ৰ বেলিকা পূর্বপুৰুষসকল *ভাগৱত*শাস্ত্রত নিপুন বুলিছে। শংকৰদেৱৰ পিতৃ কুসুম্বৰেও পুত্র কামনার্থে *হৰিবংশ* শাস্ত্র শুনাৰ কথা চৰিতকাৰে বর্ণনা কৰিছে।

২.৪.৪ শংকৰী যুগ

শংকৰদেৱৰ নেতৃত্বত পঞ্চদশ শতিকাত সূচনা হোৱা ভক্তি আন্দোলনৰ ঢৌৱে

- বিষ্ণুৰ মাজত আৰ্য-অনাৰ্য সংস্কৃতিৰ সমন্বয় ভাৰতীয় ঐতিহ্যৰ মন কৰিবলগীয়া দিশ। কিন্তু পৰিশেষত বিষ্ণু কেন্দ্রিক বিশ্বাস, আদৰ্শ, মূল্যবোধ আৰ্য হিন্দু পদ্ধতিৰ সাঁচত গঢ় লৈ উঠাৰ বাবে বৈষ্ণৱ ধৰ্ম আৰ্য হিন্দু ধৰ্মৰে এটা ঠেঙুলি হৈ পৰিল।
- বৈষ্ণৱ ধৰ্মৰ অৱতাৰবাদ উল্লেখযোগ্য বৈশিষ্ট্য। কৃষ্ণ বিষ্ণুৰ মানৱীয় অৱতাৰ। কিন্তু *ভাগৱতে* কৃষ্ণকে স্বয়ং ভগৱান বুলি স্বীকৃতি দিছে। মধ্যযুগৰ ভক্তি আন্দোলনে কৃষ্ণ চৰিত্রৰ আধাৰতে ধৰ্ম-সাংস্কৃতিক জীৱনত অভূতপূৰ্ব পৰিৱৰ্তন আনিলে।
- অসমত প্রাচীন কালৰে পৰা বিষ্ণু পূজাৰ ধাৰা প্রৱাহিত হৈ আহিছে। যদিও প্রাক্-শংকৰী যুগলৈ তাৰ স্বৰূপ সুকীয়া আছিল। তন্ত্র মতেই বিষ্ণু পূজা কৰা হৈছিল। অন্য দেৱতাৰ লগত অন্য পূজাৰ অংশ হিচাপেহে বিষ্ণু পূজা কৰা হৈছিল।
- শংকৰদেৱৰ নেতৃত্বত পঞ্চদশ শতিকাত সূচনা হোৱা ভক্তি আন্দোলনে অসমত বৈষ্ণৱ ধৰ্মক নতুন ৰূপত নির্মাণ কৰিলে।



২.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ

1) কাকতি, বাণীকান্ত (2006); *বাণীকান্ত ৰচনাৱলী, অসমীয়া খণ্ড;* গুৱাহাটী ঃ অসম সাহিত্য সভা।

2) দত্ত, অণিমা [2003]Ê, *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দর্শন;* গুৱাহাটী ঃ লয়ার্ছবুক ষ্টল।

3) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

4) নেওগ, মহেশ্বৰ (1998); *অসমৰ ধৰ্মৰ বুৰঞ্জী ঃ আন্ধাৰ আৰু পোহৰ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

5) নেওগ, মহেশ্বৰ (1974); *প্রাচ্য-শাসনাৱলী;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

6] নেওগ,মহেশ্বৰ [সম্পাঃ] [1969]Ê, *পবিত্র অসম;* যোৰহাট ঃ অসম সাহিত্য সভা।

7) নেওগ, মহেশ্বৰ [1995]Ê, *পুৱণি অসমৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী ঃ নিউ বুক ষ্টল।

8) বর্মন, শিৱনাথ (সম্পাঃ) (1997); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

9] মজুমদাৰ, বিমল (2001]Ê, *পুৰাণৰ পৰিচয়;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

10] মহন্ত, প্রদীপ জ্যোতি (2007); *শংকৰদেৱৰ শিল্পলোক;* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

11] শর্মা, উপেন্দ্রনাথ (1994); *বৈষ্ণৱ ভক্তি-ধাৰা আৰু সন্ত কথা;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চী।

12] শর্মা, তীর্থনাথ (1989); *পঞ্চপুষ্প;* গুৱাহাটী ঃ শ্রীমতি নির্ম্মলা দেৱী।

৬ **নং প্ৰশ্নৰ উত্তৰ ঃ** মাধৱ কন্দলিৰ *ৰামায়ণ*ত ৰামৰ মাজেদি বিষ্ণুৰ আভাস ফুটাই তোলা হৈছে।

৭ **নং প্ৰশ্নৰ উত্তৰ ঃ** বিষ্ণু পূজা ব্ৰাহ্মণ্যবাদী ধাৰাৰ পৰা আঁতৰিল; অৰ্থাৎ যাগযজ্ঞ, বলি আদিৰ ঠাইত শ্ৰৱণ-কীৰ্তন উপাসনাৰ একমাত্ৰ পদ্ধতি হ'ল। আৰু ভক্তিৰ গুৰুত্ব প্ৰতিষ্ঠা হ'ল— এই ভক্তি নিষ্কাম আৰু দাস্যভাব যুক্ত হ'ল।



২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) *কালিকা পুৰাণ* কোন শতিকাৰ ৰচনা?

(খ) অসমত প্ৰাপ্ত বিষ্ণু পূজাৰ নিদৰ্শন থকা তাম্ৰফলিবোৰ কোন কোন ৰাজবংশৰ ৰজাই লিখাইছিল?

(গ) কোনটো ৰাজবংশৰ দিনৰ পৰা অসমত বিষ্ণু পূজাৰ নিদৰ্শন পোৱা গৈছে?

(ঘ) বৈষ্ণৱ ধৰ্মৰ মূল উপাস্য দেৱতা গৰাকী কোন?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰাচীন অসমৰ (কামৰূপৰ) বিষ্ণু পূজাৰ এটি ৰূপৰেখা দাঙি ধৰক।

প্ৰশ্ন ২ ঃ প্ৰাক্-শংকৰী যুগৰ কোন কোন কবিৰ ৰচনাত বিষ্ণু পূজাৰ উল্লেখ পোৱা যায়? এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক —

ক) শিলালিপি-তাম্ৰলিপিৰ যুগৰ বৈষ্ণৱ ধৰ্ম খ) শংকৰী যুগৰ বৈষ্ণৱ ধৰ্ম

গ) প্ৰাক্-শংকৰী যুগৰ বৈষ্ণৱ ধৰ্ম ঘ) *কালিকা পুৰাণ* (তন্ত্ৰৰ যুগ) বৈষ্ণৱ ধৰ্ম

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বিষ্ণু পূজাৰ ইতিহাস আগবঢ়াই এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ ভাগৱত ধৰ্ম, পাঞ্চৰাত্ৰ ধৰ্ম আৰু বৈষ্ণৱ ধৰ্ম একেনে? এই তিনিটা ধৰ্মৰ ঐতিহাসিক সম্পৰ্ক বিচাৰ কৰক।

প্ৰশ্ন ৩ ঃ অসমৰ বৈষ্ণৱ ধৰ্মৰ ইতিহাসক কেইটা স্তৰত ভাগ কৰি আলোচনা কৰিব পাৰি বহলাই আলোচনা কৰক।

*** ***** ***